**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 26-06-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

## HEADLINE

১। ভাৰতীয় বিমান বাহিনীৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাসহ চাৰি গৰাকী মহাকাশচাৰীক কঢ়িয়াই নিয়া AXIOM-4 অভিযানৰ **স্পেছ-এক্স ড্ৰেগন** মহাকাশযানখনে আজি বিয়লি চাৰি বজাত সুকলমে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত প্ৰৱেশ কৰি ভাৰতে ইতিহাস ৰচিছে।

২। চাংহাইৰ সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰা সদস্য ৰাষ্ট্ৰসমূহে কোনো যুটীয়া বিবৃতি গ্ৰহণ কৰিব নোৱাৰিলে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৩। আহমেদাবাদত অলপতে এয়াৰ ইণ্ডিয়াৰ দুৰ্ঘটনাত পতিত হোৱা AI-171 বিমানখনৰ ব্লেক বক্সৰ পৰা দুৰ্ঘটনাৰ কাৰণ নিৰ্ণয় কৰাৰ বাবে প্ৰয়োজনীয় তথ্যসমূহ উলিয়াই লোৱা হৈছে।

৪। বিহাৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ ৯ জনীয়া সদস্যৰ এটা দল ৰাজ্যখনলৈ ৰাওনা হৈছে। ***আৰু***

৫। কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই আজি মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱৰ সৈতে যুটীয়াভাৱে গোৱালিয়ৰ-বাংগালুৰু এক্সপ্ৰেছ ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।

ooooo

ভাৰতীয় বিমান বাহিনীৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাসহ চাৰি গৰাকী মহাকাশচাৰীক কঢ়িয়াই নিয়া AXIOM-4 অভিযানৰ **স্পেছ-এক্স ড্ৰেগন** মহাকাশযানখনে আজি বিয়লি চাৰি বজাত সুকলমে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত প্ৰৱেশ কৰি ভাৰতে ইতিহাস ৰচিছে। ইয়াৰ ফলত ৪১ বছৰৰ পাছত ভাৰতৰ আনএগৰাকী মহাকাশচাৰী মহাকাশত উপস্থিত হৈছে। লক্ষ্ণৌত জন্মগ্ৰহণ কৰা শুক্লাই ১৯৮৪ চনত ৰাকেশ শৰ্মাৰ পাছত মহাকাশত অৱতৰণ কৰা দ্বিতীয়গৰাকী ভাৰতীয় মহাকাশচাৰী হিচাপে পৰিগণিত হ'ল। এই ঐতিহাসিক অভিযানত আমেৰিকা, ভাৰত, পোলেণ্ড আৰু হাংগেৰীৰ চাৰিগৰাকী মহাকাশচাৰী আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ১৪ দিন বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা চলাব। AXIOM-4 অভিযানে কেৱল বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা চলোৱাই নহয়, ই ভাৰতক বিশ্বৰ প্ৰযুক্তিৰ পাৱাৰহাউচ হিচাপে উত্থানক প্ৰতিফলিত কৰিছে। ইয়াৰ ফলত মহাকাশ অভিযানৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰ সামৰ্থ, বহনক্ষমতা আৰু বিশ্বৰ অভিযানৰ বাবে গুৰুত্বপূৰ্ণ অৱদানক অধিক প্ৰসাৰিত কৰিব। শুভাংশু শুক্লাই খাদ্য আৰু মহাকাশ পৰিপুষ্টিৰ লগত জড়িত উল্লেখযোগ্য পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰিব। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা আৰু জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ সহযোগিতাৰে তথা নাছাৰ সমৰ্থনেৰে চলাবলগীয়া এই সম্পৰীক্ষাই মহাকাশত জীৱন ৰক্ষাৰ ব্যৱস্থাৰ বহন ক্ষমতা আৰু ভৱিষ্যতে দীৰ্ঘ সময়সৰ মহাকাশ পৰ্যটনৰ গুৰুত্বপূৰ্ণ দিশসমূহ চাৰিজাৰি চাব। তেওঁলোকে লগতে ভৱিষ্যতৰ মহাকাশ অভিযানৰ প্ৰতি লক্ষ্য ৰাখি সূক্ষ্ম মধ্যাকৰ্ষণ শক্তিৰ প্ৰভাৱ, মহাকাশৰ বিকিৰন, পৰিপুষ্টিজনিত খাদ্যৰ উৎস আদি সন্দৰ্ভত পৰীক্ষা চলাব।

০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে ভাৰতীয় বিমান বাহিনীৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লা তথা AXIOM-4 অভিযানৰ দলটো সফলতাৰে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত উপস্থিত হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। সংবাদ মাধ্যমৰ আগত ড০ সিঙে কয়, যে শুভাংশু শুক্লাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ১৪ দিন অতিবাহিত কৰিবলগীয়া দিনকেইটা বিশ্ববাসীয়ে অতি আগ্ৰহ আৰু তীব্ৰ উৎকণ্ঠাৰে প্ৰত্যক্ষ কৰিব। এই অভিযানত ভাৰতৰ উল্লেখযোগ্য ভূমিকাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই অভিযানৰ সময়ত জীৱ বিজ্ঞান, মহাকাশত মানৱ বসতিৰ সম্ভাৱনাৰ অন্বেষণ, সূক্ষ্ম মধ্যাকৰ্ষণ আৰু মহাকাশত মানৱ শৰীৰৰ বিভিন্ন প্ৰভাৱ সন্দৰ্ভত জটিল গৱেষণা চলাব। তেওঁ লগতে কয়, যে সমগ্ৰ বিশ্বৰ ভৱিষ্যৎ মহাকাশ অভিযানৰ বাবে এই অভিযান বিশেষ সহায়ক হ'ব।

০০০০০

চাংহাইৰ সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত  অংশগ্ৰহণ কৰা সদস্য ৰাষ্ট্ৰসমূহে কোনো যুটীয়া বিবৃতি গ্ৰহণ কৰিব নোৱাৰিলে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি কেইখনমান সদস্য ৰাষ্ট্ৰই কেইবাটাও বিষয় সন্দৰ্ভত ঐক্যমতত উপনীত নোহোৱাৰ ফলত বৈঠকৰ দলিলত  চূড়ান্ত সিদ্ধান্ত ল'ব পৰা নহ'ল। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এছ চি অ'ৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰে বুলি আজি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে  নতুন দিল্লীত প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতে এই দলিলত সন্ত্ৰাসবাদৰ বিষয়টোৱে স্থান লাভ কৰাটো বিচাৰিছিল যদিও সেয়া হৈ নুঠিল। তেওঁ কয়, যে প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰী সিঙে সদস্য ৰাষ্ট্ৰসমূহক সকলোধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে একেলগে যুঁজ দিবলৈ আহ্বান জনায়। সিন্ধু অভিযানৰ বিষয়ে শ্ৰী জয়ছোৱালে কয়, যে ইয়াৰ জৰিয়তে ইৰানৰ পৰা ৪২৬ গৰাকী আৰু ইজৰাইলৰ পৰা ৮১৮ গৰাকী ভাৰতীয়ক  ইতিমধ্যে উদ্ধাৰ কৰা হৈছে। ভাৰতে ইৰান চৰকাৰক তেওঁলোকৰ বিমান পথ মুকলি কৰি দিয়াৰ বাবে ধন্যবাদ জনোৱা বুলি জয়ছোৱালে উল্লেখ কৰে। ভাৰত আৰু কানাডাৰ সম্পৰ্ক সন্দৰ্ভত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে আলবেৰতাৰ কানানাস্কিছত হোৱা জি-চেভেন সন্মিলনৰ সুযোগতে কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকৰ বিষয়ে উল্লেখ কৰে। এই বৈঠকৰ সময়ছোৱাত উভয়পক্ষই তেওঁলোকৰ সম্পৰ্কৰ স্থায়িত্ব ৰক্ষাৰ বাবে গঠনমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰা বুলিও তেওঁ কয়।

০০০০০

নিৰ্বাচন আয়োগে পঞ্জীয়নকৃত ৩৪৫ টা অস্বীকৃত ৰাজনৈতিক দলক প্ৰয়োজনীয় নীতি-নিয়ম মানি নচলাৰ বাবে বাতিল কৰা প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ২০১৯ চনৰ পৰা লোকসভা তথা ৰাজ্য আৰু  কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাৰ নিৰ্বাচন তথা উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি এই দলসমূহৰ অৱস্থিতিৰ সবিশেষ তথ্য নাই বুলি নিৰ্বাচন আয়োগে অৱগত কৰিছে।

০০০০০

আহমেদাবাদত অলপতে এয়াৰ ইণ্ডিয়াৰ দুৰ্ঘটনাত পতিত হোৱা AI-171 বিমানখনৰ ব্লেক বক্সৰ পৰা দুৰ্ঘটনাৰ কাৰণ নিৰ্ণয় কৰাৰ বাবে তথ্যসমূহ উলিৱাই লোৱা হৈছে। ব্লেক বক্সৰ সন্মুখৰ পৰা ক্ৰেছ প্ৰটেকছন আৰু মেম'ৰি মডিউলো সুৰক্ষিত ৰূপত উদ্ধাৰ কৰা হৈছে। এই তথ্যসমহূ দিল্লীত কালি বিমান দুৰ্ঘটনা তদন্ত সংস্থা এ এ আই বিৰ পৰীক্ষাগাৰৰ পৰা সংগ্ৰহ কৰা হয়। অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে এখন বিবৃতি যোগে প্ৰকাশ কৰা অনুসৰি ককপিটৰ কণ্ঠ ৰেকৰ্ড আৰু বিমানৰ তথ্য ৰেকৰ্ডৰ নথিসমূহ বিশ্লেষণ কৰি থকা হৈছে। ইয়াৰ জড়িয়তে দুৰ্ঘটনাৰ প্ৰকৃত কাৰণৰ বিষয়ে জানিব পৰা যাব

আৰু ভৱিষ্যতে এনে ধৰণৰ ঘটনা কিদৰে ৰোধ কৰিব পৰা যাব সেই সম্পৰ্কেও অৱগত হ'ব পৰা যাব বুলি আশা কৰা হৈছে। যোৱা মঙলবাৰে এ এ আই বিৰ এটা দলে বিমানখনৰ ব্লেক বক্সটো দিল্লীত থকা ইয়াৰ পৰীক্ষাগাৰলৈ তদন্ত বাবে লৈ আহিছিল।

০০০০০

বিহাৰত সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ ৯ জনীয়া সদস্যৰ এটা দল ৰাজ্যখনলৈ ৰাওনা হৈছে। দলটোৱে ইতিমধ্যে পাটনাত উপস্থিত হৈ মুখ্য নিৰ্বাচনী বিষয়া বিনোদ সিং গুঞ্জিয়াল আৰু আন আন বিষয়াসকলৰ সৈতে এখন উচ্চপৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত ভোটাৰ তালিকা সন্দৰ্ভত এটা বিশেষ পৰ্যালোচনা চলোৱা হয়। দলটোৱে লগতে জিলা নিৰ্বাচন বিষয়া, মাণ্ডলিক আয়ুক্ত আৰু অন্যান্য বিষয়াসকলক সাক্ষাৎ কৰি নিৰ্বাচনৰ শেহতীয়া প্ৰস্তুতি সম্পৰ্কে বুজ লয়। শেহতীয়া সিদ্ধান্ত অনুসৰি আয়োগে ভোটাৰ তালিকাৰ সত্যাসত্য নিৰুপনৰ বাবে ঘৰে ঘৰে গৈ পৰ্যালোচনা চলাব। দলটোৱে কাইলৈ নিৰ্বাচনী পঞ্জীয়ন বিষয়া আৰু সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়াসকলো সাক্ষাৎ কৰিব।

০০০০০

পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে দুচকীয়া বাহনৰ বাবে টোল টেক্স আৰোপ কৰাৰ বিষয় সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিক অস্বীকাৰ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী গাডকাৰীয়ে কয়, এনে ধৰণৰ কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। মন্ত্ৰীগৰাকীয়ে কয়, যে দুচকীয়া বাহনকটোল টেক্সৰ পৰা সম্পূৰ্ণৰূপে ৰেহাই দিয়াৰ ব্যৱস্থা অব্যাহত থাকিব। তেওঁ কয়, কিছুমান সংবাদ প্ৰতিষ্ঠান এই সন্দৰ্ভত অসত্য বাতৰি প্ৰচাৰ কৰিছে। শ্ৰী গাডকাৰীয়ে এন ধৰণৰ কাৰ্যক গৰহণা দিয়াৰ লগতে সত্য নিৰূপন নকৰাকৈ বাতৰি পৰিৱেশন কৰাটো সুস্থ সংবাদসেৱা নহয় বুলি অভিহিত কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই আজি মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱৰ সৈতে যুটীয়াভাৱে গোৱালিয়ৰ-বাংগালুৰু এক্সপ্ৰেছ ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। ৰে'লখনে গোৱালিয়ৰৰ পৰা প্ৰতি শুকুৰবাৰে আৰু বেংগালুৰুৰ পৰা দেওবাৰে চলাচল কৰিব। বেংগালুৰুৰ পৰা অহা ২৯ জুনত আৰু  গোলাৱিয়ৰৰ পৰা ৪ জুলাইত ৰে'লখনৰ নিয়মীয়া সেৱা আৰম্ভ হ'ব। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৰে'ল দুখনৰ যাত্ৰাৰ শুভাৰম্ভ অনুষ্ঠানত ভাষণ দি কয়, যে এই ৰে'লখনে গুনা, গোৱালিয়ৰ, ভূপালৰ ৰাইজক উপকৃত কৰিব।

০০০০০

শিৰোমণি আকালি দলৰ নেতা বিক্ৰম সিং মাজিথিয়াক আজি পাঞ্জাবৰ ম'হালিৰ এখন আদালতে সাত দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে। মাদক দ্ৰব্য সৰবৰাহৰ জৰিয়তে ৫৪০ কোটিতকৈও অধিক মূল্য টকাৰ অবৈধ লেনদেন সংক্ৰান্তত কালি তদাৰকী সংস্থাই তেওঁক গ্ৰেপ্তাৰ কৰে। অমৃতসৰ আৰু ছণ্ডিগড়ত থকা মাজিথিয়াৰ বাসভৱনত ৰাজ্যখনৰ তদাৰকী সংস্থাই তালাচি চলাই পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানে চণ্ডিগড়ত আজি এখন সংবাদমেলত তেওঁৰ বাসভৱনৰ পৰা ২৯ টা ম'বাইল ফোন, ৮ টা লেপটপ আৰু ভালেমান গুৰুত্বপূৰ্ণ নথিপত্ৰ উদ্ধাৰ কৰা হয় বুলি প্ৰকাশ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ